আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, FEBRUARY 08, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৪২ Guwahati, Assam ।। মূল্যঃ এটকা



## অধিগ্ৰহণ কৰা ভূমিৰ ক্ষতিপূৰণ দাবী

# দিল্লীত আকৌ কৃষকৰ আন্দোলন

**নতুন দিল্লী, ৮ ফেব্ৰুৱাৰীঃ** দেশত পুনৰ আৰম্ভ হৈছে কৃষক বিদ্ৰোহ। নাঙল ধৰা হাতত পতাকা লৈ কেইবা হাজাৰ কৃষকে পুনৰ দিল্লী অভিমুখে যাত্ৰা আৰম্ভ কৰিছে। আজি ভূমিৰ ক্ষতিপূৰণ দাবী কৰি নয়ডা আৰু গ্ৰেটাৰ নয়ডাৰ হাজাৰ হাজাৰ কৃষকে পদযাত্ৰা কৰি দিল্লীত প্ৰৱেশৰ প্ৰয়াস কৰে। নয়ডা কৰ্তৃপক্ষৰ বিৰুদ্ধে ধৰ্ণাত বহা কৃষকসকলে আজি দিল্লী অভিমুখে যাত্ৰা আৰম্ভ কৰে। কৃষকসকলে সংসদ ভৱন ঘেৰাও কৰি ক্ষতিপূৰণ আদায় দিয়াৰ দাবী উত্থাপন কৰিবলৈ যাত্ৰা আৰম্ভ কৰাত উত্তৰ প্ৰদেশ-দিল্লী ঘাইপথত ভয়ংকৰ যান-জঁট লাগে। কৃষকৰ ৰুদ্ৰ মূৰ্তি দেখি আৰক্ষীয়ে কৃষকক ৰখাবলৈ প্ৰয়াস কৰাত আৰক্ষী আৰু কৃষকৰ হতা-হতি পৰ্যন্ত লাগে। আৰক্ষীয়ে নয়ডাৰ এক্সপ্ৰেছ-ৱে বন্ধ কৰি দিয়ে। ফলত বেছি উত্তেজিত হয় কৃষক। যিকোনো বিনিময়ত কৃষকে দিল্লী যাত্ৰা কৰিবলৈ জিদ কৰাত দীৰ্ঘ সময়ত উত্তেজনাই বিৰাজ কৰে। ২০২৩ চনৰ ডিচেম্বৰৰ পৰা নয়ডা আৰু গ্ৰেটাৰ নয়ডা উন্নয়ন কৰ্তৃপক্ষৰ অধিগ্ৰহণ কৰা ভূমিৰ বৰ্ধিত ক্ষতিপূৰণ দিয়াৰ দাবী জনাই আহিছে কৃষক সংগঠনসমূহে। কৃষকক স্থায়ী প্লট আৰু ক্ষতিপূৰণ দিয়াৰ দাবীত প্ৰতিবাদ কৰি আহিছে। নয়ডাৰ কৃষকসকলে ৬০ দিন ধৰি নয়ডা-গ্ৰেটাৰ নয়ডা কৰ্তৃপক্ষ, এনটিপিচি আৰু অংশল বিল্ডাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰি আহিছে। বৃহস্পতিবাৰে, কৃষকসকলৰ প্ৰতিবাদ তীব্ৰতৰ হয়। কৃষকসকলে সংসদ ঘেৰাও কৰাৰ সিদ্ধান্ত লয়। তিনিটা কৃষক সংগঠনৰ দাবী মানি নোলোৱাত ৰাজ্য শেষাংশ ২ পৃষ্ঠাত

# চিলাপথাৰত পথ দুৰ্ঘটনাত ৪জন নিহত

**ই-সংবাদ, ৮ ফেব্ৰুৱাৰীঃ** নিমিষতে হেৰাই গ'ল দুই ভাতৃ-ভগ্নীসহ চাৰিগৰাকী লোক। ঘৰৰ পৰা ওলাই আহি কিছু নিলগতে দুই ভাতৃ-ভগ্নী আৰু আন দুজন লোকসহ মুঠ চাৰিগৰাকীকৈ শেষাংশ ৩ পৃষ্ঠাত

# ৬ হাজাৰ বিদ্যালয় বন্ধ

**ই-সংবাদ, ৮ ফেব্ৰুৱাৰীঃ** চলিত বাজেট অধিৱেশনত শিক্ষা বিভাগৰ পৰা বিদ্যালয়ৰ সংখ্যা সম্পৰ্কীয় কেইবাটাও তথ্য বিচাৰি প্ৰশ্ন দাখিল কৰিছিল অখিল গগৈয়ে। ২০১৬ চনত চৰকাৰী বিদ্যালয়ৰ সংখ্যা শেষাংশ ৩ পৃষ্ঠাত

# জনজাতিৰ প্ৰমাণ পত্ৰৰ বাবে ধৰ্ণা




**ই-সংবাদ, ৮ ফেব্ৰুৱাৰীঃ** জনজাতীয় প্ৰমাণপত্ৰৰ পৰা বঞ্চিত খিলঞ্জীয়া ভূমিপুত্ৰ জনজাতীয় প্ৰমাণ পত্ৰ বিচাৰি গুৱাহাটীলৈ আহি ধৰ্ণা দিবলগীয়া হৈছে খিলঞ্জীয়া ভূমিপুত্ৰ জনজাতীয় প্ৰমাণ পত্ৰ লাভ নকৰাত শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীত আকৌ কৃষকৰ আন্দোলন

চৰকাৰ আৰু স্থানীয় প্ৰশাসনৰ ওপৰত চাপ বৃদ্ধি কৰিবলৈ ৭ ফেব্ৰুৱাৰীত কৃষক মহাপঞ্চায়ত আহ্বান কৰে। মহাপঞ্চায়তত ৮ ফেব্ৰুৱাৰীত সংসদত উপস্থিত হৈ প্ৰতিবাদী শোভাযাত্ৰা উলিওৱাৰ ঘোষণা কৰে। সেই অনুসৰি কৃষক নেতা সুখবীৰ যাদৱৰ খলিফাৰ নেতৃত্বত দিল্লীলৈ যাত্ৰা আৰম্ভ কৰে। পদযাত্ৰাত কৃষকসকলক ঠাইভেদে বাধা দিয়ে আৰক্ষীয়ে। ট্ৰেক্টৰ-ট্ৰলী আৰু খোজকাঢ়ি দিল্লী অভিমুখে যাত্ৰা কৰা কৃষকক কিছু সময়ৰ বাবে আটকো কৰা হয়। দিল্লীৰ চিল্লা সীমান্তৰ নাপাওতে প্ৰেৰণা স্থলত বাহন ৰাখি কৃষকসকলক বাধা দিয়ে আৰক্ষীয়ে। ফলত আৰক্ষীৰ সৈতে তৰ্কযুদ্ধত লিপ্ত হয় কৃষকসকল। প্ৰশাসনে কৃষক আন্দোলনৰ ফলত ধাৰা ১৪৪ আৰোপ কৰে। আৰক্ষীয়ে কৃষকক সৈমান কৰাত প্ৰতিবাদী কৃষকসকল নয়ডাৰ দলিত প্ৰেৰণাৰ পৰা আঁতৰি যায়। কিন্তু এনটিপিচিৰ নয়ডা, গ্ৰেটাৰ নয়ডাত কৃষকৰ প্ৰদৰ্শন অব্যাহত আছে৷ নয়ডা-দিল্লী চিল্লা সীমান্তত আৰক্ষী বাহিনীয়ে বেৰিকেড স্থাপন কৰিছে। দিল্লীলৈ যাত্ৰা ৰোধ কৰিবলৈ এক্সপ্ৰেছৱেও বন্ধ কৰি দিয়া হৈছে। উল্লেখ্য যে, কৃষকসকলে ২০১৯ চনৰ পৰা নয়ডা কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদ কৰি আহিছে। কৃষকসকলে মাটিৰ বিনিময়ত ক্ষতিপূৰণ পোৱা নাই৷ নয়ডাৰ ৮১ খন গাঁৱৰ ভূমিত বসতি স্থাপন কৰা লোকৰ ভূমি অধিগ্ৰহণ কৰা হৈছিল। এই সময়ছোৱাত, ১৬ খন গাঁৱৰ কৃষকসকলক ক্ষতিপূৰণ আৰু ৫ শতাংশ প্লট দিয়া হৈছিল। ক্ষতিপূৰণ প্ৰদানৰ প্ৰক্ৰিয়াক প্ৰত্যাহ্বান জনাই বাকী গাঁওসমূহৰ কৃষকসকল উচ্চ ন্যায়ালয়লৈ যায়। কৃষকসকলে দাবী কৰে যে কৰ্তৃপক্ষই মাটি অধিগ্ৰহণ কৰাৰ চৰ্তাৱলী পূৰণ কৰা নাছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জনজাতিৰ প্ৰমাণ পত্ৰৰ বাবে ধৰ্ণা

শৰণীয়া-কছাৰী জনগোষ্ঠীৰ কেইবা হাজাৰ লোক চাকৰি-বাকৰিৰ লগতে আন আন সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে৷ বিভিন্ন সময়ত এই সমস্যা সমাধান কৰিবলৈ ৰাজ্য চৰকাৰৰ প্ৰতিনিধিক সাক্ষাৎ কৰি দাবী উত্থাপন কৰি আহিছে যদিও কোনো ফল নোলালে৷ মুখ্যমন্ত্ৰী, জনজাতি দপ্তৰৰ মন্ত্ৰীক বাৰে বাৰে সাক্ষাৎ কৰি আৰ্জি দিয়াৰ পাছত জনজাতীয় প্ৰমাণ পত্ৰ দিয়াৰ ব্যৱস্থা নকৰাত ক্ষোভিত হৈছে শৰণীয়া-কছাৰী জনগোষ্ঠীৰ কেইবা শতাধিক পুৰুষ-মহিলাই আজি গুৱাহাটীত ধৰ্ণা প্ৰদান কৰে৷ বিধানসভাৰ বাজেট অধিবেশন চলি থকাৰ মাজতে আজি নামনি অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ শৰণীয়া-কছাৰী জনগোষ্ঠীৰ কেইবা শতাধিক পুৰুষ-মহিলাই কেন্দ্ৰীয়-ৰাজ্য চৰকাৰৰ প্ৰৱঞ্চনাৰ বিৰুদ্ধে ধৰ্ণা প্ৰদান কৰে৷ চচলৰ ধৰ্ণাস্থলীত চৰকাৰ বিৰোধী শ্ল’গান দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে শৰণীয়া-কছাৰী জনগোষ্ঠীৰ পুৰুষ-মহিলাই৷ জনজাতীয় পৰম্পৰাগত পোছাক পিন্ধি চচলত কেইবা শতাধিক পুৰুষ-মহিলাই কেইবা ঘণ্টা ধৰ্ণা প্ৰদান কৰি জানজাতীয় প্ৰমাণ পত্ৰ প্ৰদানৰ দাবী জনায়৷ সদৌ অসম শৰণীয়া-কছাৰী ছাত্ৰ সন্থা, শৰণীয়া কছাৰী গণতান্ত্ৰিক নাৰী মঞ্চ আৰু শৰণীয়া কছাৰী সন্মিলনীৰ যৌথ উদ্যোগত ওদালগুৰি, কোকৰাঝাৰ, তামুলপুৰ, চিৰাং, গুৱাহাটী আদি জিলাৰ পৰা অহা কেইবা শতাধিক পুৰুষ-মহিলাই শীঘ্ৰে জানজাতীয় প্ৰমাণ পত্ৰ প্ৰদানৰ দাবী জনায়৷ সদৌ অসম শৰণীয়া-কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপজ্যোতি শৰণীয়াই জনজাতীয় প্ৰমাণ পত্ৰৰ পৰা বঞ্চিত হৈ অহাত আক্ষেপ প্ৰকাশ কৰি বিভিন্ন সময়ত এই সমস্যা সমাধান কৰিবলৈ চৰকাৰক হেঁচা প্ৰদান কৰি আহিছো, যদিও চৰকাৰে গুৰুত্ব প্ৰদান কৰা নাই বুলি কয়৷ শৰণীয়া কছাৰী জনগোষ্ঠী অসমৰ অন্যতম কছাৰী মূলীয় ভূমিপুত্ৰ জনজাতি হোৱাৰ পাছতো সময়ে সময়ে জনজাতীয় প্ৰমাণ পত্ৰ পোৱাৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিবলগীয়া হৈছে। শৰণীয়া-কছাৰীসকলৰ জনজাতীয় প্ৰমাণ পত্ৰৰ সমস্যা সমাধান নহ’লে জংগী আন্দোলন ঘোষণা কৰাৰ হুংকাৰ প্ৰদান কৰিছে সদৌ অসম শৰণীয়া-কছাৰী ছাত্ৰ সন্থাই৷ প্ৰতিবাদত অংশ লোৱা একাংশ যুৱ প্ৰজন্মই কয় যে আমি সেনা বাহিনীৰ লগতে আন চাকৰি, উচ্চ শিক্ষাৰ সংৰক্ষণ লাভ নকৰাৰ লগতে অন্যান্য নিযুক্তি পৰীক্ষাত বহিব নোৱাৰো৷ কিয়নো আমাৰ হাতত জনজাতীয় প্ৰমাণ পত্ৰ নাই৷ হাতত জনজাতীয় প্ৰমাণ পত্ৰ নথকাত হাহাকাৰ কৰিছে কেইবা হাজাৰ যুৱকে৷ যুৱ প্ৰজন্মই আক্ষেপেৰে আৰু কয় যে আমি কছাৰী মূলৰ লোক৷ আমাক জনজাতীয় প্ৰমাণপত্ৰ নিদিয়ে৷ এয়া এক ৰাজনৈতিক ষড়যন্ত্ৰ৷ আমাক বঞ্চিত কৰি আন কোনো লোকক সুবিধা লোৱাৰ ব্যৱস্থা কৰি দিয়া হৈছে৷ শৰণীয়া-কছাৰীৰ জনগোষ্ঠীৰ যুৱকসকল আশাবাদী যে এই সমস্যাৰ সমাধানৰ বাবে বিজেপি নেতৃত্বধীন চৰকাৰখন শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিব। ইপিনে শৰণীয়া কছাৰী জনগোষ্ঠীৰ একমাত্ৰ জনপ্ৰতিনিধি কোকৰাঝাৰৰ সাংসদ নৰ শৰণীয়াৰ জনজাতীয় প্ৰমাণ পত্ৰ বাতিলৰ বাবে আদালতৰ কাষ চাপিছিল একাংশ লোক৷ জনগোষ্ঠীটোৰ লোকক একাংশ লোকে জানজাতীয় নহয় বুলি দাবী কৰি আহিছে৷ কিন্তু এয়া এক ৰাজনৈতিক ষড়যন্ত্ৰ আৰু অসমৰ এটা থলগিৰী জনগোষ্ঠীক এনেদৰে অত্যাচাৰ, অপমান কৰাটো উচিত নহয় বুলি বিভিন্ন মহলে উল্লেখ কৰি আহিছে৷ জানিব পৰা মতে, দশকৰ পাছত দশক ধৰি উদ্ভৱ হোৱা এই সমস্যা সমাধানৰ বাবে ২০২৩ চনৰ ৩ জুনত অসম সচিবালয়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰিছিল সদৌ অসম শৰণীয়া-কছাৰী ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে। মুখ্যমন্ত্ৰীয়ে সমস্যা সমাধানৰ আশ্বাস প্ৰদান কৰিছিল যদিও সমস্যাৰ সমাধান নহ’ল। মন্ত্ৰী ৰণোজ পেগুকো কেইবাবাৰো সাক্ষাৎ কৰিছে সদৌ অসম শৰণীয়া-কছাৰী ছাত্ৰ সন্থাৰ নেতৃত্বই৷ মন্ত্ৰী পেগুৱে আশ্বাস দি একো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৬ হাজাৰ বিদ্যালয় বন্ধ

কিমান আছিল আৰু এতিয়া কিমান শিক্ষানুষ্ঠান আছে, কিমান বিদ্যালয় বন্ধ হ'ল, কিমান বিদ্যালয় একত্ৰিত কৰা হ'ল, সেই বিষয়ে তথ্য বিচাৰিছিল অখিল গগৈয়ে৷ সদনত উত্তৰ দাখিল কৰি ৰাজ্য চৰকাৰে ভয়াৱহ তথ্য দাখিল কৰিছে৷ অসমত বৰ্তমান চৰকাৰী প্ৰাথমিক বিদ্যালয় ৩৩,৯৩৭ খন থকা বুলি চৰকাৰে তথ্য দাখিল কৰিছে৷ ২০১৬ চনত এই সংখ্যা আছিল ৩৯,৯৮৬৷ কিন্তু পৰিতাপৰ কথা এয়াই যে ২০১৬ চনত বিজেপিয়ে শাসন হাতত লোৱাৰ সময়তে অসমত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা আছিল ৩৯,৯৮৬ খন৷ এতিয়া চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা হৈছে ৩৩,৯৩৭ খন৷ অৰ্থাৎ বিজেপি চৰকাৰৰ দিনত অসমত ৬০৪৯খন চৰকাৰী প্ৰাথমিক বিদ্যালয় বন্ধ কৰা হৈছে৷ আনহাতে বিভিন্ন কাৰণত আৰু একত্ৰিকৰণৰ ফলত চৰকাৰে চৰকাৰী মাধ্যমিক উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় একেবাৰেই বন্ধ কৰা হৈছে৷ মুঠ ২১৪ খন চৰকাৰী মাধ্যমিক উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় একেবাৰেই বন্ধ কৰা হৈছে৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# চিলাপথাৰত পথ দুৰ্ঘটনাত

লোকে প্ৰাণ হেৰুৱাই৷ হৃদয় বিদাৰক পথ দুৰ্ঘটনা সংঘটিত হৈছে ধেমাজি জিলাৰ চিলাপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত চিলাসুঁতিত৷ চিলাপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত চিলাসুতিৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত পথ দুৰ্ঘটনাত ২২ বছৰীয়া জয়া চুংক্ৰাং আৰু ১৯ বছৰীয়া আজা চুংক্ৰাংসহ চাৰিগৰাকী লোক নিহত হয়৷ জানিব পৰা মতে, পুৱাই জয়া চুংক্ৰাং, আজা চুংক্ৰাঙে পথ অতিক্ৰম কৰিবলৈ পথৰ দাঁতিত থিয় হৈ আছিল৷ তেনে সময়তে তীব্ৰবেগত অহা এখন টাটা পন্স নামৰ বাহনে দুয়োকে মহতিয়াই নিয়ে৷ প্ৰায় ১০০ মিটাৰ চোচোৰাই নিয়ে জয়া আৰু আজাক৷ বাহনখনৰ খুন্দাত থিতাতে নিহত হয় ভাতৃ আজা চুংক্ৰাং আৰু জয়া চুংক্ৰাং। একেটা দুৰ্ঘটনাত আন দুগৰাকী লোকৰ মৃত্যু হয়৷ একেখন বাহনে একেঠাইতে ভাতৃ-ভগ্নীক খুন্দা মৰাৰ লগতে আন এখন বাইকত খুন্দা মাৰে৷ একেখন বাহনে মহতিয়াই নিয়ে বাইকখনো। বাইকত থকা এজন আৰোহী থিতাতে নিহত হোৱাৰ লগতে আন এজন আৰোহীৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। জানিব পৰা মতে, বগীবিলৰ পৰা আহি ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰিবলৈ ৰৈ আছিল ভাতৃ-ভগ্নীহাল৷ সেই সময়তে তীব্ৰ বেগত অহা বাহনখনে গতি নিয়ন্ত্ৰণ নকৰি খুন্দা মাৰিছিল ভাতৃ-ভগ্নীক৷ ভাতৃ-ভগ্নীক খুন্দা মাৰি পাছত কিছু দূৰত আন এখন বাইক খুন্দা মৰাত চাৰিগৰাকীকৈ লোকে প্ৰাণ হেৰুৱাই৷ এই ঘটনাই শোকৰ ছাঁ পেলাইছে চিলাপথাৰ এলেকাত৷

# মহানগৰীত অগ্নিকাণ্ড, ভস্মীভূত জুবিন গাৰ্গ ভোজনালয়

**ই-সংবাদ, ৮ ফেব্ৰুৱাৰীঃ** বৃহস্পতিবাৰৰ দুপৰীয়া মহানগৰীৰ গণেশগুৰিৰ ব্যস্ত জি.এছ ৰোডত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়৷ এটা পেট্ৰল ডিপোৰ সমুখৰ অট্টালিকাত অগ্নিকাণ্ড সংঘটিত হোৱাত চৌদিশে হুৱা-দুৱা লাগে৷ দাউদাউকৈ জ্বলি উঠা জুইৰ লেলিহান শিখাই হঠাতে বৃহৎ এলেকাক আৱৰি ধৰাত আতংকিত হৈ পৰে ব্যৱসায়ী, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ৰ কৰ্মচাৰী৷ বিভিন্ন অট্টালিকাৰ পৰা কৰ্মচাৰীসমূহ ভয়তে তললৈ নামি আহে৷ ফলত প্ৰায় দুই ঘণ্টা ধৰি তীব্ৰ যান-জোঁট লাগে উলুবাৰী সংযোগী পথটোত৷ জানিব পৰা মতে, জুবিন গাৰ্গ ভোজনালয়ত চিলিণ্ডাৰ বিস্ফোৰণৰ ফলত গণেশগুৰিৰ চেন্সুৰী প্লাজাৰ জুবিন গাৰ্গ ভোজনালয়ৰ লগতে কেইবাখনো ব্যৱসায়ীক প্ৰতিষ্ঠানত অগ্নিকাণ্ড সংঘটিত হয়৷ গণেশগুৰিৰ বাছ আস্থানস্থিত অট্টালিকাৰ জুবিন গাৰ্গ ভোজনালয় আৰু আন আন প্ৰতিষ্ঠানত ভয়ংকৰ অগ্নিকাণ্ডৰ সূত্ৰপাত হয়৷ নিমিষতে জুইৰ লেলিহান শিখা আৰু ক'লা ধোঁৱাই আৱৰি ধৰে চেন্সুৰী প্লাজাক৷ প্ৰায় ৩০ মিনিট পাছতে অগ্নি নিৰ্বাপক বাহিনীৰ কেইবাখনো গাড়ী উপস্থিত হৈ অগ্নি নিৰ্বাপন কৰিবলৈ প্ৰয়াস কৰে যদিও জুবিন গাৰ্গ ভোজনালয়ৰ লগতে আন আন প্ৰতিষ্ঠানৰ সা-সামগ্ৰী ভস্মীভূত হয়৷ হনুমান মন্দিৰৰ সমীপত থকা চেন্সুৰী প্লাজা নামৰ কমপ্লেক্সত সংঘটিত হৈছিল অগ্নিকাণ্ড। কমপ্লক্সত আছিল কেইখনো ব্যৱসায়ীক প্ৰতিষ্ঠান। লগে লগে কেইবাখনো ব্যৱসায়ীক প্ৰতিষ্ঠানৰ লগতে জুবিন গাৰ্গ ভোজনালয়ক জুইৰ লেলিহান শিখাই আৱৰি ধৰিছিল। কেইবাখনো ব্যৱসায়িক প্ৰতিষ্ঠানৰ কেইবা লাখ টকাৰ ক্ষতিসাধন হয়। ইপিনে অগ্নিকাণ্ড সংঘটিত হোৱা অট্টালিকাৰ আশে-পাশে কৰ ভৱন, এটা তেল ডিপো আছিল৷ যাৰ বাবে এলেকাটোত আতংকই বিৰাজ কৰিছিল৷

# যুৱক-যুৱতীৰ ন্যায় নিশ্চিত কৰিবলৈ কংগ্ৰেছৰ বিশেষ অভিযান

## গুৱাহাটীত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় প্ৰবক্তা আলোক শৰ্মা

**গুৱাহাটী, ৮ ফেব্ৰুৱাৰীঃ** 'ধাৰা ৩৭০ক লৈ লালকিল্লাৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীৰ আগত মিছা কথা কৈ আহিছে। ধাৰা ৩৭০ আজিও সংবিধানৰ অংশ হৈয়েই আছে। ধাৰা ৩৭০ প্ৰত্যাহাৰৰ অধিসূচনা নোহোৱা কৰি পেলাইছে তেওঁলোকে। লাদাখত আজি লাখ লাখ লোক ৰাজপথলৈ ওলাই আহিছে। কাশ্মীৰলৈ শান্তি ঘূৰি আহিছে বুলি দাবী কৰি অহা মোদী চৰকাৰে ৰাজ্যখনত এতিয়ালৈকে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সাহস কৰিব পৰা নাই।'-গুৱাহাটীত আজি অনুষ্ঠিত এক সংবাদমেলত মোদী চৰকাৰক আক্ৰমণ কৰি এইদৰে কয় কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ আলোক শৰ্মাই। অসম ভ্ৰমণৰত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতাগৰাকীয়ে মোদী চৰকাৰক ভয়াতুৰ চৰকাৰ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সৰ্বকালৰ ভয়াতুৰ প্ৰধানমন্ত্ৰী আখ্যা দিয়ে। তেওঁ কয়, 'মোদী চৰকাৰে ভাৰতক বিৰোধীবিহীন কৰিব বিচাৰিছে। কাৰণ মোদী ভয়াতুৰ। ভয়াতুৰ বাবেই মোদী চৰকাৰে কেৱল বিৰোধী দলৰ নেতাসকলৰ ঘৰলৈহে চিবিআই, ইডি প্ৰেৰণ কৰি আহিছে।' ইফালে, আজিৰ সংবাদমেলত অগ্নিপথ আঁচনি আকস্মিকভাৱে ৰূপায়ণ কৰি সশস্ত্ৰ বাহিনীৰ জৰিয়তে জাতিৰ সেৱাৰ সপোন দেখা ডেৰ লক্ষ যুৱক-যুৱতীৰ সপোন মষিমূৰ কৰা কাৰ্য্যক লৈ হতাশা আৰু ক্ষোভ ব্যক্ত কৰে কংগ্ৰেছ নেতাগৰাকীয়ে। তেওঁ কয় যে এই অনুমোদিত আঁচনিখনে কু-অভিপ্ৰায়েৰে নিয়মীয়া নিযুক্তি প্ৰক্ৰিয়াটোক বিকৃত কৰি পেলাইছে আৰু যাৰ ফলত আজি হাজাৰ হাজাৰ যোগ্য আৰু আশাবাদী প্ৰাৰ্থীয়ে নিৰাপত্তাহীনতা আৰু হতাশাৰ সন্মুখীন হ'বলগীয়া হৈছে। ন্যায়ৰ পৰা বঞ্চিত এনে যুৱক-যুৱতীসকলক ন্যায় প্ৰদানৰ লক্ষ্যৰেই যোৱা ৩১ জানুৱাৰীত ৰাহুল গান্ধীয়ে 'জয় জোৱানঃ অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ সংগ্ৰাম' অভিযানৰ আৰম্ভণি কৰে। 'জয় জোৱান' অভিযান তিনিটা গুৰুত্বপূৰ্ণ পৰ্যায়ত আয়োজন কৰা হৈছেঃ সম্পৰ্ক (গণ সংযোগ), সত্যাগ্ৰহ, আৰু ন্যায় যাত্ৰা (পদযাত্ৰা)। 'জয় জোৱান' অভিযানৰ প্ৰথম পৰ্যায় সম্পৰ্কৰ জৰিয়তে ১ ফেব্ৰুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ ৩০ লাখ পৰিয়ালৰ সৈতে সম্পৰ্ক স্থাপনৰ লক্ষ্য লোৱা হৈছে। একেদৰে ৫ মাৰ্চৰ পৰা ১০ মাৰ্চলৈ অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ত প্ৰতিখন জিলাৰ গান্ধী চ'ক বা শ্বহীদ চ'কত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিব কংগ্ৰেছৰ জিলা সমিতিসমূহে। এই অভিযানৰ অন্তিম পৰ্যায় অৰ্থাৎ ন্যায় যাত্ৰাত ১৭ মাৰ্চৰ পৰা ২০ মাৰ্চলৈ প্ৰতিখন জিলাত ৫০ কিলোমিটাৰ পদযাত্ৰাৰ সংকল্প লোৱা হৈছে। ভাৰতীয় যুৱক-যুৱতীসকলক সংগঠিত, অটল, শক্তিশালী কৰিবলৈ, চৰকাৰক জবাবদিহি কৰিবলৈ, তেওঁলোকৰ অধিকাৰ, সুযোগ, আশা পুনৰুদ্ধাৰৰ দাবী কৰিবলৈ আৰু নিৰ্দেশনা অনুসৰণ কৰিবলৈ এক আহ্বান এই অভিযান। নেতাগৰাকীয়ে কয় যে দেশৰ যুৱক-যুৱতীসকলৰ হকে আৰম্ভ কৰা এই 'জয় জোৱান' অভিযানৰ অংশ হ'বলৈ দেশৰ যিকোনো নাগৰিকে ৯৯৯৯৮ ১২০২৪ নম্বৰত মিছড কল দি পঞ্জীয়ন কৰিব পাৰে বা www.jayjawan.in যোগেও পঞ্জীয়ন কৰিব পাৰে।



ন্যায় যাত্ৰা ওড়িশাৰ পৰা ছত্তীশগড়ত প্ৰৱেশৰ সময়ত ৰাহুল গান্ধীক আদৰণি হাজাৰ হাজাৰ লোকৰ

## দিল্লীত হঠাৎ ঘোষণা অসমৰ তিনি সমষ্টিৰ প্ৰাৰ্থীৰ নাম

# বিৰোধী ঐক্য মঞ্চক বাই বাই আপৰ!



### গুৱাহাটীত ডাঃ ভৱেন চৌধুৰী, তেজপুৰত কৌণ্ডিল্য, ডিব্ৰুগড়ত মনোজ ধানোৱাৰ






**ই-সংবাদ, ৮ ফেব্ৰুৱাৰীঃ** অসমত মিত্ৰজোঁটত নাথাকে আম আদমী পাৰ্টী৷ এই কথা স্পষ্ট কৰিলে আপৰ কেন্দ্ৰীয় সমিতিয়ে৷ নতুন দিল্লীত অনুষ্ঠিত এখন সংবাদমেলত কেন্দ্ৰীয় নেতৃত্বই অসমৰ বাবে তিনিটা লোকসভা সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰি এই কথা আজি স্পষ্ট কৰিলে আম আদমী পাৰ্টীয়ে৷ ইয়াৰ পূৰ্বেই পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে পঞ্জাৱত অকলে নিৰ্বাচন খেলাৰ ঘোষণা কৰি লোকসভা নিৰ্বাচনত অকলে নিৰ্বাচন খেলাৰ ইংগিত প্ৰদান কৰিছিল৷ উল্লেখ্য যে, গুৱাহাটী, তেজপুৰ আৰু ডিব্ৰুগড় লোকসভা সমষ্টিত আপে প্ৰাৰ্থীত্ব ঘোষণা কৰে৷ গুৱাহাটীত অসম আপৰ মুখ্য সমন্বয়ক ভৱেন চৌধুৰী, ডিব্ৰুগড়ত মনোজ ধানোৱাৰ আৰু তেজপুৰত ঋষিৰাজ কৌণ্ডিল্যৰ নাম ঘোষণা কৰিছে৷ অভিযোগ মতে, ঋষিৰাজ কৌণ্ডিণ্যৰ বিৰুদ্ধে প্ৰৱঞ্চনাৰ অভিযোগ আছে৷ কাৰ্বি আংলংত অ'এছডি হিচাপে পৰিচয় দি ভুৱা ৱাৰ্ক ৱাৰ্ডাৰ দি জেইলত যোৱা বুলিও সামাজিক মাধ্যমত চৰ্চা হৈছে৷ কংগ্ৰেছ, অসম জাতীয় পৰিষদ, ৰাইজৰ দল, বামপন্থীদলসমূহ আৰু তৃণমূল কংগ্ৰেছক এৰি আপে প্ৰাৰ্থী ঘোষণা কৰাত মিত্ৰদলৰ নেতাক নিৰাশা দেখা গৈছে৷ আটাইকেইটা বিৰোধী দলে একত্ৰিতভাৱে নিৰ্বাচন খেলাৰ আশাপুহি ৰাখিছিল৷ বিৰোধী দলৰ প্ৰতিখন বৈঠকত উপস্থিত আছিল আপৰ প্ৰতিনিধি৷ প্ৰতিখন বৈঠকৰ অন্তত আপে মিত্ৰজোঁটত থাকি নিৰ্বাচন খেলাৰ কথা উল্লেখ কৰিছিল৷ কিন্তু হঠাতে আপে তিনিটা লোকসভা সমষ্টিৰ প্ৰাৰ্থী ঘোষণা কৰি মিত্ৰতাত আউল লগোৱা পৰিলক্ষিত হৈছে৷ খবৰ মতে, কিছুদিন পূৰ্বে আম আদমী পাৰ্টি আৰু কংগ্ৰেছৰ মাজত আসন ভাগ-বাটোৱাৰা সন্দৰ্ভত আলোচনা হৈছিল। আম আদমী পাৰ্টিয়ে কংগ্ৰেছৰ পৰা গুৱাহাটী, তেজপুৰ আৰু ডিব্ৰুগড় লোকসভা সমষ্টি দাবী কৰিছিল৷ কিন্তু কংগ্ৰেছে এই দাবী মানি নলৈ কেৱল গুৱাহাটী সমষ্টি এৰি দিয়াৰ প্ৰস্তাৱ দিছিল৷ কংগ্ৰেছৰ এই প্ৰস্তাৱত নাৰাজ হৈছিল আপৰ ৰাজ্যিক নেতা মনোজ ধানোৱাৰ৷ মনোজ ধানোৱাৰে কংগ্ৰেছৰ সৈতে মিত্ৰতা নকৰি আপক অকলে নিৰ্বাচন খেলাৰ কথা কৈ দিল্লীৰ ভ্ৰমণ কৰি আপৰ মুখ্য সমন্বয়ক অৰবিন্দ কেজৰিৱালক সাক্ষাৎ কৰে৷ অৰবিন্দ কেজৰিৱালক অসমৰ দৃশ্যপট বৰ্ণনা কৰাত আপে অসমত নিৰ্বাচন খেলিব বুলি ঘোষণা কৰে৷ আপে তিনি প্ৰাৰ্থীৰ নাম ঘোষণা কৰাটো অসমৰ বিৰোধীৰ বিফলতা বুলিয়েই ক'ব পাৰি৷ কেইদিনমান পূৰ্বে পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে কংগ্ৰেছৰ সৈতে মিত্ৰতা নকৰো বুলি উল্লেখ কৰি পঞ্জাৱৰ ১৩ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ ঘোষণা কৰিছিল। ইয়াৰ দ্বাৰা স্পষ্ট যে ইণ্ডিয়া মিত্ৰজোঁটত সকলো ঠিকে নাই। লক্ষণীয়ভাৱে কংগ্ৰেছ, টিএমচি আৰু আম আদমী পাৰ্টি ইণ্ডিয়াৰ অংশ আছিল৷ লোকসভা নিৰ্বাচনত বিজেপি বিৰোধী ইণ্ডিয়া মিত্ৰজোঁটৰ দলকেইটাই প্ৰায় ১৬ মাহ পূৰ্বে ব্যাপৰক তৎপৰতাৰে মিত্ৰতা কৰাৰ ঘোষণা কৰিছিল। কিন্তু এই তৎপৰতা চেঁচা হৈ পৰিল৷ মমতা বেনাৰ্জী, অৰবিন্দ কেজৰিৱাল, নীতিশ কুমাৰ আদি নেতাই ইণ্ডিয়া মিত্ৰজোঁটৰ পৰিৱৰ্তে অকলশৰে নিৰ্বাচন খেলাৰ মনস্থ কৰিছে৷ বংগত কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰিবলৈ সাজু নহয় মমতা৷ আনহাতে আম আদমী পাৰ্টীয়ে পঞ্জাৱ, দিল্লী, অসমত কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰিবলৈ সাজু নহয়। ইপিনে আপৰ অসমৰ ৰাজ্যিক নেতৃত্বই আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি আপে তিনিটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব আৰু বাকী ১১ সমষ্টিত বিজেপি বৰোধী প্ৰাৰ্থীক সমৰ্থন কৰাৰ ঘোষণা কৰে৷ আপ নেতা জিতুল ডেকাই কয় যে বাৰে বাৰে মিত্ৰতাক লৈ আলোচনা হৈ আছে৷ আমি প্ৰস্তাৱ দি আছো৷ কিন্তু ইয়াৰ কোনো সিদ্ধান্ত হোৱা নাই৷ প্ৰাৰ্থী ঘোষণা ৰাষ্ট্ৰীয় সমিতিয়ে কৰিছে৷ এই ক্ষেত্ৰত ৰাজ্যিক সমিতিৰ কোনো কথা নাই বুলিও কয়৷ আনহাতে বিৰোধীৰ ভোট বিভাজ কৰিবলৈ আপোনালোকে প্ৰাৰ্থী ঘোষণা কৰিলে নেকি বুলি সোধা এক প্ৰশ্নৰ উত্তৰত জিতুল ডেকাই কয় যে আমি তিনিটা সমষ্টিত প্ৰাৰ্থী দি বাকী কেইটাত বিজেপি বিৰোধী প্ৰাৰ্থীক সমৰ্থন কৰিছো৷ আমাৰ প্ৰাৰ্থীকো তেনেকৈ সমৰ্থন কৰিলে আমি ভাল পাম৷

শেষ পৃষ্ঠা

## আই চি চি ১৯ অনুৰ্দ্ধ বিশ্বকাপ

# অষ্ট্ৰেলিয়া ফাইনেলত

**বেননী, ৮ ফেব্ৰুৱাৰীঃ** পাকিস্তানক এক ৰানত পৰাস্ত কৰি আই চি চি ১৯ বছৰ অনুৰ্দ্ধ বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছে অষ্ট্ৰেলিয়াই। ল' স্ক'ৰিং মেছখনত ১৮০ ৰানৰ লক্ষ্য অনুসৰণ কৰি অন্তিম অভাৰৰ প্ৰথমটো ব'লত জয় লাভ কৰে। উল্লেখ্য যে ২০১৮ চনৰ পিছত ১৯ বছৰ অনুৰ্দ্ধ বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছে। তেওঁলোকে ৰবিবাৰে ফাইনেলত ভাৰতৰ মুখামুখি হ'ব। টচত জয়ীহৈ পাকিস্তানক বেটিঙৰ বাবে আমন্ত্ৰণ জনাই অষ্ট্ৰেলিয়ান অধিনায়ক হিউজ ৱেবগেনে। আজান ৱেইছৰ ৫২ আৰু আৰাফাত মিনহাজৰ ৫২ ৰানৰ সহায়ত পাকিস্তানে ৪৪.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই সংগ্ৰহ কৰে ১৭৯ ৰান। অষ্ট্ৰেলিয়ান দলৰ সহ অধিনায়ক টম ষ্ট্ৰেকাৰৰ পেচ বলিঙৰ সন্মুখত পাকিস্তানৰ আন কোনো এজন বেটাৰে তিষ্টিব নোৱাৰিলে। মাত্ৰ ২৪ ৰানত ছয়টা উইকেট লাভ কৰা ষ্ট্ৰেকাৰ মেছৰ শ্ৰেষ্ঠ হয়। লক্ষ্য অনুসৰণ কৰি অষ্ট্ৰেলিয়ান দলটোৱেও কঠোৰ সংগ্ৰাম কৰিবলগীয়া হয়। অষ্ট্ৰেলিয়াৰ ইনিংছৰ ৪৬ অভাৰৰ পাক পেচাৰ আলী ৰাজাই মেডেন সহ দুটা উইকেট দখল কৰাত মেছৰ গতি প্ৰায় সলনি হৈছিল কিন্তু দলৰ আন বলাৰ সকল ব্যৰ্থ হয়। অষ্ট্ৰেলিয়াৰ হৈ হেৰী ডিক্সনে ৫০ অলিভাৰ পিকে ৪৯ ৰান কৰে। শেষৰফালে ৰাফ মেকমিলানে ধৈৰ্যসহকাৰে অপৰাজিত ১৯ ৰানৰ বৰঙণি যোগাই। মেছৰ অন্তিম অভাৰৰ প্ৰথম বলত বাউণ্ডেৰী মাৰি তেৰে অষ্ট্ৰেলিয়াক ফাইনেলত প্ৰৱেশ কৰাত সহায় কৰে। অষ্ট্ৰেলিয়াই ৪৯.১ অভাৰত ১৮১ ৰান কৰি আজিৰ ছেমিফাইনেলত জয়লাভ কৰে।



মহানগৰীৰ গণেশগুৰিত ভয়াৱহ অগ্নিকাণ্ড, বৃহস্পতিবাৰৰ দুপৰীয়াৰ দৃশ্য

# হত্যাৰ অভিযোগত ৩০ বছৰে হৈ আছিল পলাতক, গ্ৰেপ্তাৰৰ পিছতে মৃত্যু

**অনলাইন ফিচাৰ্ছ, ৮ ফেব্ৰুৱাৰী:** হত্যাৰ অভিযোগ উত্থাপন হোৱাৰ পিছত যোৱা ৩০ বছৰ ধৰি আৰক্ষীৰ নজৰৰ পৰা পলায়ন কৰি থকা এজন অভিযুক্তক শেহতীয়াকৈ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পিছতে মৃত্যু ঘটাৰ ঘটনাই সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। বিহাৰৰ সমষ্টিপুৰ জিলাত আৰক্ষীৰ জিম্মাত অভিযুক্তজনৰ মৃত্যু ঘটাৰ পিছতে আৰক্ষীয়ে শাৰীৰিক নিৰ্যাতন চলোৱাৰ অভিযোগ তুলি থানাৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে পৰিয়ালৰ লোকে। উল্লেখ্য যে, ১৯৯১ চনত সংঘটিত এক হত্যাকাণ্ডৰ অভিযুক্ত আছিল কৃষ্ণ ভগৱান ওৰফে টুন্না ঝা নামৰ লোকজন। কিন্তু যোৱা ৩০ বছৰ ধৰি আৰক্ষীৰ চকুত ধূলি দি আত্মগোপন কৰিবলৈ সক্ষম হৈছিল কৃষ্ণ ভগৱানে। শেহতীয়াকৈ আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত অভিযুক্তজনক বিচাৰি অভিযান চলাই অৱশেষত চৰাইৰঞ্জন এলেকাৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। কিন্তু গ্ৰেপ্তাৰৰ মাত্ৰ কেইঘণ্টামানৰ পিছতে আৰক্ষীৰ জিম্মাত মৃত্যু ঘটে হত্যাৰ অভিযুক্তজনৰ। অৱশ্যে অভিযুক্তজনৰ মৃত্যুৰ কাৰণ এতিয়াও স্পষ্ট নহয়। আৰক্ষীয়ে প্ৰকাশ কৰাৰ মতে গ্ৰেপ্তাৰৰ পিছতে কৃষ্ণ ভগৱান ওৰফে টুন্না ঝাৰ স্বাস্থ্যৰ অৱনতি ঘটিবলৈ আৰম্ভ কৰিছিল। সদ্যহতে তেওঁৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। ইফালে টুন্না ঝাৰ মৃত্যু আৰক্ষীৰ নিৰ্যাতনৰ ফলত হোৱা বুলি দাবী কৰি সমষ্টিপুৰ সদৰ থানাৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে অভিযুক্তজনৰ পৰিয়ালৰ লোকে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান